**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। ৰাজ্যৰ পাঁচ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ জয়লাভ। মহাৰাষ্ট্ৰত মহায়ুটী মৰ্চা আৰু ঝাৰখণ্ডত জে এম এম নেতৃত্বাধীন মৰ্চাৰ চৰকাৰ।

২। ৰাজ্যৰ বিভিন্ন স্থানত আজি ৪০২ সংখ্যক লাচিত দিৱসত বীৰ যোদ্ধাগৰাকীক স্মৰণ।

৩। গোৱাত অনুষ্ঠিত ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আজি পঞ্চম দিন। **আৰু**

৪। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাৰ্থত প্ৰথম টেষ্টত আজি তৃতীয় দিনা ১৭২ ৰানৰ পৰা ভাৰতৰ দ্বিতীয় ইনিংছ আৰম্ভ।

oooooo

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে পাঁচোটা সমষ্টিতে জয়লাভ কৰিবলৈ সক্ষম হৈছে। ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে।

বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীয়ে ৩৫ হাজাৰতকৈ অধিক ভোটত জয়লাভ কৰে। একেদৰে, চিদলী সমষ্টিত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ইউ পি পি এলৰ নিৰ্মল কুমাৰ ব্ৰহ্মই ৩৭ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে।

নগাঁও জিলাৰ চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই ২২ হাজাৰতকৈ অধিক ভোটত জয়লাভ কৰে।

বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱালে ৯ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে। ধলাই সমষ্টিত বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসে জয়লাভ কৰিছে।

উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে আটাইকেইখন আসনতে জয়লাভ কৰাৰ পিছত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই ভোটদাতা ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। সভাপতিগৰাকীয়ে লগতে কয়, যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ পদক্ষেপৰ বাবে সমষ্টিকেইটাৰ ভোটদাতাসকলে শাসকীয় দলটোৰ পক্ষত জনমত দিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলীয় কৰ্মীসকলৰ লগতে ভোটদাতাসকললৈ ধন্যবাদ জ্ঞাপন কৰিছে। চামগুৰি সমষ্টিত ২৫ বছৰৰ অন্তত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰাটোৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সু-শাসন আৰু উন্নয়ন নীতিৰ বাস্তৱিক তথা সাৰ্থক ৰূপটোকে প্ৰতিফলিত কৰিছে। বিজেপি চৰকাৰৰ কল্যাণকামী মনোভাৱাপন্ন কাৰ্যপ্ৰণালীৰ প্ৰতি ৰাইজৰ সমৰ্থন আৰু বিৰোধীৰ বিভাজনকামী ৰাজনীতিক প্ৰত্যাখ্যান কৰা বুলি তেওঁ উল্লেখ কৰে।

অসম বিধানসভাৰ উপ নিৰ্বাচনত ঐতিহাসিক বিজয়ত আনন্দ প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে এই জয়যাত্ৰা  অপ্ৰতিৰোধ্য বিজেপি নেতৃত্বাধীন এন ডি এৰ জয়যাত্ৰা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

মোদীৰ বলিষ্ঠ নেতৃত্বত সবকা সাথ সবকা বিকাশ নীতিৰে চৌদিশে যি আমূল পৰিৱৰ্তনৰ সূচনা হৈছে, তাৰে পৰিপ্ৰেক্ষিতত সৰ্বস্তৰৰ ৰাইজৰ আস্থা বিশ্বাস, সঁহাৰি সমৰ্থন পূৰ্ণোদ্যমে অটুত আছে বিজেপিৰ পক্ষত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনকল্যাণকামী নীতিয়ে সকলোৰে জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন কঢ়িয়াই আনিছে বুলিও তেওঁ উল্লেখ কৰে।

ইফালে, মেঘালয়ত উপ নিৰ্বাচন অনুষ্ঠিত হোৱা একমাত্ৰ আসনখনত মুখ্যমন্ত্ৰী কনৰাড চাংমা নেতৃত্বাধীন এন পি পি দলে জয়লাভ কৰিছে। মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ পত্নী মেহতাব চান্দিয়ে গেমবেগ্ৰেহ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি ১২ হাজাৰ ৬৭৮টা ভোটত জয়লাভ কৰে।

একেদৰে, মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত মুঠ ২৮৮ খন আসনৰ ভিতৰত বিজেপিয়ে ১৩২ খন, শিৱসেনাৰ একনাথ সিন্দে গোটে ৫৭ খন, এন চি পিৰ অজিত পাৱাৰ গোটে ১০ খন, শিৱসেনাৰ উদ্ধাৱ থাকৰে গোটে ২০ খন আসন লাভ কৰিছে।

ইফালে, ঝাৰখণ্ড বিধানসভাৰ ৮১ খন আসনৰ ভিতৰত ঝাৰখণ্ড মুক্তি মৰ্চাই ৩৪ খন, কংগ্ৰেছে ১৬ খন, আৰ জে ডিয়ে ৪ খন আসন লাভ কৰাৰ বিপৰীতে বিজেপিয়ে ২১ খন আসনত জয়লাভ কৰিছে।

০০০০০০

০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু আহোম জাতীয় গণমঞ্চৰ উদ্যোগত ডিব্ৰুগড়ত ৪০২ সংখ্যক বীৰ লাচিত দিৱসৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসন আৰু পথালিবাম অঞ্চলৰ ৰাইজৰ সহযোগত মৰাণৰ পানীতোলা গ্ৰাণ্ট মজলীয়া বিদ্যালয় খেলপথাৰত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিনৰ ১ বজাৰ পৰা আৰম্ভ হ'বলগীয়া ৪০২ সংখ্যক বীৰ লাচিত দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মোহনকে ধৰি বীৰ লাচিত দিৱসৰ কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী আৰু কেইবাগৰাকীও স্থানীয় বিধায়কে অংশগ্ৰহণ কৰিব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব।

লাচিত দিৱসৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নকুল চন্দ্ৰ ভূঞাৰ দ্বাৰা ৰচিত লাচিত বৰফুকন শীৰ্ষক কবিতাটোৰ উদ্ধৃতিৰে ৰাজ্যবাসীক লাচিত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

গোৱাত অনুষ্ঠিত ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আজি পঞ্চম দিন। এই মহোৎসৱত কালি ববী শৰ্মা বৰুৱাই পৰিচালনা কৰা **ৰ'দৰ পাখি** শীৰ্ষক ছবিখন প্ৰদৰ্শন কৰে। এই সন্দৰ্ভত গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে এইদৰে কয়-

**-ভইচ-**

ধন্যবাদ নয়ন প্ৰসাদ। চলচ্চিত্ৰ মহোৎসৱৰ পৰৱৰ্তী দিন কেইটাৰ বা-বাতৰি আপোনাৰ পৰা লৈ থাকিম।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে প্ৰতি দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ কৰি অহা **চলন্তিকা** অনুষ্ঠানটোৰ নাম পূৰ্বৰ **সংবাদ চলন্তিকা**লৈ পুনৰ নামকৰণৰ সিদ্ধান্ত লৈছে। **সংবাদ চলন্তিকাৰ** প্ৰথমটো অনুষ্ঠান আজি নিশা ৭ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব। এই অনুষ্ঠানত অসমৰ ৰে'লসেৱাৰ সাম্প্ৰতিক দৃশ্যপট আৰু জনসাধাৰণৰ প্ৰত্যাশা সম্পৰ্কত বিভিন্ন জিলাৰ সংবাদদাতাসকলে জনসাধাৰণৰ পৰা সংগ্ৰহ কৰা মতামত প্ৰচাৰ কৰা হ'ব। বাতৰি বিভাগৰ হৈ অনুষ্ঠানটো প্ৰযোজনা কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত ডিব্ৰুগড়ৰ চৌকিডিঙি খেলপথাৰত কালিৰ পৰা অসমী সৰস মেলা ২০২৪ আৰম্ভ হৈছে। দহদিনীয়াকৈ হ'বলগীয়া এই মেলাৰ শুভাৰম্ভ অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, দুলিয়াজানৰ বিধায়ক তেৰছ গোৱালা, মৰাণৰ বিধায়ক চক্ৰধৰ গগৈ, জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালককে বহুগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মেলাখনত ৰাজ্যৰ লগতে গোৱা, উত্তৰ প্ৰদেশ, পাঞ্জাব, কেৰালা, ছিকিম, জম্মু-কাশ্মীৰ, অৰুণাচল প্ৰদেশৰ কেইবাটাও আত্মসহায়ক গোটে অংশগ্ৰহণ কৰে।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অহা ২ ডিচেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ **নটসূৰ্য**ৰ অষ্টবিংশতিতম নাট সমাৰোহৰ আয়োজন কৰা হৈছে। নাট সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত সাহিত্য একাডেমী বঁটাপ্ৰাপক, নৃত্যাচাৰ্য পদ্মশ্ৰী সন্মানেৰে সন্মানিত যতীন গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশ ল'ব। উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাস্কৰ বৰুৱাৰ দ্বাৰা ৰচিত **মলখু** শীৰ্ষক নাটখন প্ৰদৰ্শন কৰা হ'ব। এইবাৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক আৰু অভিনেতা লিয়াকত আলীক গিয়াছ উদ্দিন আহমেদ স্মাৰক বঁটা প্ৰদান কৰা হ'ব। সামৰণি নাট্য সন্ধ্যাত মুখ্য অতিথি হিচাপে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশ লোৱাৰ কথা। নাট সমাৰোহৰ ৬ ডিচেম্বৰৰ বাহিৰে প্ৰতিটো সন্ধিয়াৰ প্ৰৱেশ বিনামূলীয়া হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০

সদৌ অসম কৰ বিভাগীয় আমোলা সন্থাৰ পঞ্চদশ দ্বি-বাৰ্ষিক অধিৱেশনখন কালি ধুবুৰীৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। আমোলা সন্থাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হোৱা অনুষ্ঠানত ৰাজ্য চৰকাৰৰ অতিৰিক্ত কৰ আয়ুক্ত, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি, ধুবুৰী উপ-কৰ আয়ুক্ত আদিকে ধৰি  বহু বিষয়ববীয়াই অংশগ্ৰহণ কৰে। উৎপল কুমাৰ দাসক সভাপতি আৰু পংকজ বৰ্মণক সাধাৰণ সম্পাদক হিচাপে লৈ সদৌ অসম কৰ বিভাগীয় আমোলা সন্থাৰ পৰৱৰ্তী দুটা বছৰৰ বাবে নতুন কেন্দ্ৰীয় সমিতিখন গঠন কৰা হয়।

০০০০০০

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত কানাই বৰশী বোৱা শিলালিপিৰ উপযুক্ত সংৰক্ষণৰ বাবে কামৰূপ জিলা প্ৰশাসন তৎপৰ হৈ পৰিছে। ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ বিভাগে কানাই বৰশী বোৱা শিলালিপি প্ৰাংগণক পৰ্যটন কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ সংকল্প গ্ৰহণ কৰিছে। কামৰূপ জিলাৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰই বিশ্ব ঐতিহ্য দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি অহা দুবছৰৰ ভিতৰত উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলালিপি ক্ষেত্ৰখনক পৰ্যটকৰ বাবে আকৰ্ষণীয় ৰূপত সজাই তোলা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

০০০০০০

উপ নিৰ্বাচনত ৰাজ্যৰ ৫ বিধানসভা সমষ্টিৰ ভিতৰত পাঁচোটা সমষ্টিতে বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিবলৈ সক্ষম হোৱা বাতৰিটোক আজি আটাইকেইখন দৈনিক বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে বিজেপি মিত্ৰজোঁটৰ ক্লীন ছুইপ, উপ নিৰ্বাচনত মুখ্যমন্ত্ৰী ডং শৰ্মাৰ নেতৃত্বলৈ পূৰ্ণ আস্থা ৫ সমষ্টিবাসীৰ। **দৈনিক অসম** কাকতে ৫ সমষ্টিতে এন ডি এৰ জয়, **দি আছাম ট্ৰিবিউন** কাকতে NDA Sweeps state bypolls, দ্যা ছেণ্টিনেল কাকতে BJP-led alliance blanks opposition in bye-poll, **অসমীয়া খবৰ** কাকতে অপ্ৰতিৰোধ্য বিজেপি, ধৰাশায়ী কংগ্ৰেছ, **দৈনিক জনমভূমি** কাকতে ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ নিৰ্বাচনত শাসকীয় মিত্ৰজোঁটৰ একাধিপত্য শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। আনহাতে মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ডত অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ ফলাফলৰ বাতৰিটোৰে **অসমীয়া প্ৰতিদিন, আমাৰ অসম, দৈনিক অগ্ৰদূত** আদিকে ধৰি আটাইকেইখন কাকততে প্ৰথম পৃষ্ঠাত স্থান পাইছে। নিৰ্বাচনী ফলাফলৰ খবৰৰ মাজতে ৰাজ্যত শেহতীয়া ২৪ ঘণ্টাৰ ভিতৰত পৃথক পথ দুৰ্ঘটনাত ৮ জন যুৱকে প্ৰাণ হেৰুওৱালগীয়া বাতৰিটোক আটাইকেইখন দৈনিক বাতৰি কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

বনৰীয়া হাতীৰ উপদ্ৰপৰ পৰা জনসাধাৰণক সকাহ দিয়াৰ উদ্দেশ্যে নলবাৰী, বাক্সা আৰু তামুলপুৰ জিলা প্ৰশাসন, আৰক্ষী আৰু বন বিষয়াসকলক লৈ টাস্ক ফ'ৰ্চ গঠন কৰা হৈছে। কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই জনাইছে যে, ভূটানৰ পৰা নামি অহা বনৰীয়া হাতীৰ জাকক বাধা প্ৰদানৰ বাবে জাৰতালুক অঞ্চলত এখন নিৰীক্ষণ চকী স্থাপন কৰা হ'ব। তদুপৰি স্পৰ্শকাতৰ এলেকাটোত বন বিভাগৰ এটা অতিৰিক্ত বেটেলিয়ন দল নিয়োগ কৰা হ'ব।

০০০০০০

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা এটাও উইকেট নেহেৰুৱাকৈ কালি সংগ্ৰহ কৰা ১৭২ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিছে। আমালৈ বাতৰি অহাৰ পৰলৈকে ভাৰতে এটা উইকেট হেৰুৱাই ২২০ ৰান সংগ্ৰহ কৰি খেলি আছে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি ৭ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৬৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি ১০৪ ৰানত বাকী তিনিটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৫টা, হৰ্ষিত ৰানাই তিনিটা আৰু মহম্মদ চিৰাজে দুটা উইকেট দখল কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে ছৌদি আৰবৰ জেদ্দাহত আজি আৰু কাইলৈ নিলাম অনুষ্ঠিত হ'ব। এইবাৰকে একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নিলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বৰ্ষৰ বাবে ডুবাইত নিলাম অনুষ্ঠিত হৈছিল। এইবেলি এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈসহ মুঠ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নিলামত ভাগ ল'বলৈ সন্মতি প্ৰকাশ কৰিছে। সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক লৈ দল গঠন কৰিব পৰা যাব আৰু নিলামৰ জৰিয়তে মুঠ ২০৪টা শ্লট লাভ কৰিব পৰা যাব।

oooooo

সমাপ্ত